# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-OCT-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

—————————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত কলিয়াবৰ বিধানসভা সমষ্টিৰ মুঠ ৩২ হাজাৰ ৪৮২ গৰাকী হিতাধিকাৰীলৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। এই উপলক্ষে কলিয়াবৰৰ ডা০ টি আও ষ্টেডিয়ামত আয়োজিত জনসভাত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে  ৰাজ্যত বৰ্তমান প্ৰায় ৪ লাখ আত্মসহায়ক গোট আছে। কলিয়াবৰ সমষ্টিত প্ৰায় ৪ হাজাৰ আত্মসহায়ক গোট গঠন কৰা হৈছে। এনে আত্মসহায়ক গোটসমূহক শক্তিশালী কৰিবলৈ ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি অহাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰিভলভিং ফাণ্ড, বেংক ঋণ, চি এল এফ, ভিঅ', জীৱিকা সখী, বেংক সখী আদি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে এনে গোটসমূহৰ সৈতে জড়িত মহিলাসকলক চৰকাৰে সহায় কৰাৰ বাবে চেষ্টা চলাই আহিছে। আত্মসহায়ক গোটসমূহৰ মহিলাসকলে বিগত ১২-১৩ বছৰে বেংকৰ পৰা প্ৰায় ১২ হাজাৰ কোটি টকাৰ ঋণ লৈছে আৰু এই ঋণৰ ধন নিয়মীয়াকৈ ঘূৰাই দি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যৰ ৪ লাখ আত্মসহায়ক গোটৰ সৈতে জড়িত ৪০ লাখ মহিলাক সামাজিক আৰু ব্যক্তিগতভাৱে সহায় কৰি এখন আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান আৰম্ভ কৰা হৈছে বুলিও ড০ শৰ্মাই ভাষণত উল্লেখ কৰে। দেশত ৩ কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেখা সপোন অনুসৰণ কৰি ৰাজ্য চৰকাৰে ৰাজ্যৰ ৩০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ সংকল্প লোৱা বুলিও তেওঁ কয়।

০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক পুনৰ ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। ষট পূজা উপলক্ষে আজি আদালতৰ কাম-কাজ বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে কালিয়েই পাঁচোজন অভিযুক্তক ভাৰ্চুৱেল মাধ্যমেৰে আদালতত হাজিৰ কৰোৱা হয়। পাছত আদালতে আটাইকেইজন অভিযুক্তকে পুনৰ ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

ইপিনে বিশিষ্ট সাহিত্যিক ড০ ৰীতা চৌধুৰীয়ে আজি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত চলি থকা তদন্তৰ প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়াই এছ আই টিৰ ওচৰত সাক্ষ্য প্ৰদান কৰে। তেওঁ তদন্তকাৰী গোটক সাক্ষ্য প্ৰদান কৰাৰ পাছত সাংবাদিকৰ সৈতেও মত বিনিময় কৰে। বিশিষ্ট সাহিত্যিকগৰাকীয়ে শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ কিছুদিন পূৰ্বে লোৱা এটা সাক্ষাৎকাৰৰ কথা উল্লেখ কৰি কয়, যে সাক্ষাৎকাৰ গ্ৰহণ কৰাৰ সময়তো তেওঁ জুবিন গাৰ্গৰ শাৰীৰিক অসুস্থতাৰ উমান

পাইছিল। সাক্ষাৎকাৰ লোৱাৰ সময়ত জুবিন গাৰ্গে যথেষ্ট উৎসাহেৰে সাহিত্যিকগৰাকীৰ সৈতে কথা পাতিছিল আৰু তেওঁক হতাশ যেন লগা নাছিল বুলিও ড০ চৌধুৰীয়ে সাংবাদিকৰ আগত কয়।

**ৰাইট (ৰীতা চৌধুৰী)**

০০০০০

ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী যোগেন মহনৰ উপস্থিতিত আজি ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি অৰুণোদয় তৃতীয় পৰ্যায় আৰু মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত শীৰ্ষক আঁচনি দুখনৰ সঠিক ৰূপায়ণ সন্দৰ্ভত জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী প্ৰশান্ত ফুকন আৰু জিলা আয়ুক্ত বিক্ৰম কৈৰী উপস্থিত থাকি প্ৰকৃত হিতাধিকাৰীসকলে যাতে এই আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত নহয় তথা আঁচনি দুখনৰ সঠিক ৰূপায়ণৰ দিশত ল'বলগীয়া সকলো পদক্ষেপ সন্দৰ্ভত জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনা কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পৰহিলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে লখিমপুৰ জিলা ভ্ৰমণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি, আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকা আৰু স্থানীয় বিধেয়ক মানৱ ডেকাৰ লগতে বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলে মুখ্যমন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কৰিবলগীয়া স্থানসমূহ পৰিদৰ্শন কৰি সবিশেষ বুজ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৩০ অক্টোবৰ বিয়লি জিলাখনত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। ভ্ৰমণৰ অংশ হিচাপে তেওঁ ৩১ অক্টোবৰত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সভাতে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্চিং কলেজৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ড০ শৰ্মাই লগতে লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব।

০০০০০

অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত তথা গোলাঘাট জিলা সাহিত্য সভাৰ সহযোগত কাজিৰঙাৰ কঁহৰাৰ পৰমানন্দ লাহন প্ৰেক্ষাগৃহত আজি **অসম সাহিত্য সভাৰ ভৱিষ্যৎ প্ৰজন্ম** শীৰ্ষক এখন সন্মিলন অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে সন্মিলনখনত উদ্বোধনী ভাষণ দিয়ে। মন্ত্ৰী অতুল বৰা এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। এই সন্মিলনত **প্ৰজন্ম ঐক্য** নামৰ এখন স্মৰণীকাৰ লগতে বিভিন্ন লেখকৰ ৮ খন গ্ৰন্থও উন্মোচন কৰা হয়। অনুষ্ঠানৰ পূৰ্বে শিল্পীসকলে অসম সাহিত্য সভাৰ **চিৰ চেনেহী মোৰ ভাষা জননী** শীৰ্ষক গীত পৰিৱেশন কৰাৰ লগতে শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায়।

০০০০০

সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আজি বিশ্বনাথত সদৌ অসমভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিশ্বনাথ চাৰিআলিৰ সাধনা সংগীত মহাবিদ্যালয়ৰ উদ্যোগত আৰু বিশ্বনাথ মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰায় শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত